Sp :- Protagoras

05/05/26

*প্ৰটাগোৰাচৰ জ্ঞানতত্ত্ব সম্বন্ধীয় মতটো সমালোচনা মূলক ভাৱে ব্যাখ্যা কৰা।

Ans:- চ'ফিষ্ট সকলৰ ভিতৰত প্ৰথমজন চ'ফিষ্ট আছিল প্ৰটাগোৰাচ। তেওঁ On the Gods নামৰ এখন গ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ বিখ্যাত উক্তিটো আছিল – "মানুহ সকলো বস্তুৰ মাপকাঠি কৰা যি আছে সিয়েই সত্য, যি নাই সি সত্য নহয়।" প্ৰটাগোৰাচৰ সমগ্ৰ দৰ্শন এই উক্তিটোতে নিহিত আছে। আনুপাৰি চ'ফিষ্ট সকলৰ সমগ্ৰ দৰ্শন প্ৰটাগোৰাচৰ এই বিখ্যাত উক্তিৰ ওপৰতে ভিত্তি কৰি উঠিছে। এই উক্তিৰ মূল কথা হল প্ৰত্যেক ব্যক্তিমানৰ সকলো বস্তুৰে পৰিমাপক, ব্যক্তিৰ ওপৰতে নিৰ্ভৰ কৰে বস্তুৰ জ্ঞান, ভাল-বেয়া ইত্যাদি জ্ঞান। যেতিয়া কোনো বিষয়ত মানুহৰ মাজত মতভেদ হয়, তেতিয়া এনে কোনো বস্তুগত সত্য নাই যাৰ দ্বাৰা এজনক সত্য আৰু আনজনক মিথ্যা বুলি প্ৰতিপন্ন কৰা যায়।

প্ৰটাগোৰাচৰ 'Man is the measure of all things' উক্তিটোৰ প্ৰটাগোৰাচৰ জ্ঞানতত্ত্বৰ আভাস পোৱা যায়। এই জ্ঞানতত্ত্ব অনুসৰি ইন্দ্ৰিয় প্ৰত্যক্ষই জ্ঞানৰ একমাত্ৰ উৎস। কিন্তু চ'ফিষ্ট সকলৰ পূৰ্বৰ দাৰ্শনিক সকলে ইন্দ্ৰিয় সংবেদন আৰু বুদ্ধিৰ মাজত পাৰ্থক্য কৰিছে আৰু তেওঁলোকে বুদ্ধিকে যথাৰ্থ জ্ঞান লাভৰ একমাত্ৰ উৎস বুলি অভিহিত কৰিছে। তেওঁলোকৰ মতে সত্যক কেৱল বুদ্ধিৰে উপলব্ধি কৰিব পাৰি। ইন্দ্ৰিয় সংবেদনে আমাক যি জ্ঞান প্ৰদান কৰে সি ভ্ৰান্তিমুক্ত, প্ৰকৃত সত্য নহয়। প্ৰটাগোৰাচে ইন্দ্ৰিয় প্ৰত্যক্ষ আৰু বুদ্ধিৰ পাৰ্থক্য অস্বীকাৰ কৰি কয় যে, সকলো বস্তু বা পৰিঘটনাৰ মাপকাঠি মানুহ। এই খিনিতে উল্লেখযোগ্য যে, প্ৰটাগোৰাচে 'মানুহ' শব্দটো ব্যক্তিগত অৰ্থতহে ব্যৱহাৰ কৰিছে – সাৰ্বিক অৰ্থত ব্যৱহাৰ কৰা নাই। গতিকে প্ৰটাগোৰাচ মতবাদৰ অনিবাৰ্য পৰিণতি হ'ল প্ৰত্যেক ব্যক্তিয়ে যি দেখে, ভাবে বা বিশ্বাস কৰে সি তেওঁৰ কাৰণে সত্য।

___/___/______

প্ৰ'টাগোৰাচৰ মতবাদ 'হোমো মেনচুৰা'ৰ আন এটা উল্লেখযোগ্য দিশ হ'ল এয়ে যে, এই মতবাদ মতে সাৰ্বজনীন সত্য বুলি একো কোৱা নাই। জ্ঞান বা সত্যতা আপেক্ষিক অৰ্থাৎ ব্যক্তি সাপেক্ষ। যি মতবাদ অনুসৰি সত্যতা বুলি কোৱা নাই, সত্যতাৰ ধাৰণা সমাজভেদে, ব্যক্তিভেদে, আনকি জাতিভেদেও ভিন ভিন হয়, সেই মতবাদ আপেক্ষিকতাবাদ। এই মতবাদ অনুসৰি মানুহৰ সামাজিক জীৱনৰ ফালে দৃষ্টি দিলে দেখা যায় যে জ্ঞান, সত্যতা, নৈতিক 'ভাল-বেয়া' 'উচিত-অনুচিত' ইত্যাদি সমাজভেদে বা ব্যক্তিভেদে পৰিবৰ্তন হয়।

প্ৰ'টাগোৰাচৰ মতবাদত হেৰাক্লিটাচৰ পৰিবৰ্তনতত্ত্বৰ প্ৰতিধ্বনি শুনা যায়। মানুহৰ মতামত নিৰন্তৰ পৰিৱৰ্তিত হৈছে। পৰিৱৰ্তিত হৈছে তাৰ স্বভাৱ, বিচাৰ ক্ষমতা, ইন্দ্ৰিয় সংবেদন ইত্যাদি। মানুহৰ ৰুচিবোধৰ পৰিবৰ্তন, জ্ঞান-বোধৰ পৰিৱৰ্তন এক চিৰন্তন নিয়ম।

গতিকে প্ৰ'টাগোৰাচৰ দৰ্শনত চিৰন্তন জ্ঞান বা সত্যতা বুলি একো নাই। ইয়াৰ অৰ্থ এয়ে যে জ্ঞান অসম্ভৱ। কাৰণ বস্তুৰ কিয়নিষ্ঠ সত্যতাক অস্বীকাৰ কৰিলে কোনো জ্ঞানেই সম্ভৱ নহয়। প্ৰ'টাগোৰাচৰ এই মতবাদক পূৰ্ণ সমৰ্থন আগবঢ়ায় আন এজন ছ'ফিষ্ট গৰ্জিয়াচে।

* <u>সমালোচনা</u> :—

প্ৰ'টাগোৰাচৰ দৰ্শনত বুদ্ধিৰ কোনো স্থান নাই। তেঁওৰ মতে, ইন্দ্ৰিয় প্ৰত্যক্ষই জ্ঞান লাভৰ একমাত্ৰ উপায়। বুদ্ধি আৰু সংবেদনৰ পাৰ্থক্য প্ৰ'টাগোৰাচৰ জ্ঞানতত্ত্বত স্বীকৃত নহয়। প্ৰ'টাগোৰাচৰ মতবাদ মানি ল'লে সত্য আৰু মিথ্যাৰ পাৰ্থক্য নাইকিয়া হৈ পৰিব। এজনৰ বাবে যি সত্য সি আনজনৰ বাবে মিথ্যাত পৰিণত হ'ব আৰু আন এজন ব্যক্তিৰ বাবে যি সত্য সি অন্য এজন ব্যক্তিৰ ওচৰত মিথ্যা বুলি বিবেচিত হ'ব। এখন দেশত যি জ্ঞান বা বিশ্বাস সত্য বুলি প্ৰচলিত সেই একেই জ্ঞান বা বিশ্বাস অন্য এখন দেশত মিথ্যাত পৰিণত হ'ব। গতিকে সত্য-মিথ্যা এক অৰ্থহীন প্ৰলাপ মাত্ৰ হ'ব।